# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-12-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধানক দেশৰ একতাৰ মূল স্তম্ভ বুলি অভিহিত কৰিছে।

২। লোকসভাত কাইলৈ **এখন দেশ, এটা নিৰ্বাচন** সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন কৰা হ'ব।

৩। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আজি তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিব।

৪। ভাৰত আজি ওমানৰ মাস্কটত অনুষ্ঠিত মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ সন্মুখীন হ'ব।

*আৰু*

৫। অষ্ট্ৰেলিয়াই ব্ৰিছবেনত টেষ্টৰ আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৩টা উইকেটৰ বিনিময়ত ৭৫ ৰান সংগ্ৰহ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধানক দেশৰ একতাৰ মূল স্তম্ভ বুলি অভিহিত কৰিছে। বৈচিত্ৰৰ মাজত একতাক দেশৰ অনন্য বৈশিষ্ট আখ্যা দি প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁৰ চৰকাৰে দেশৰ একতা শক্তিশালী কৰি তোলাৰ বাবে ভালেমান নীতি আৰু সিদ্ধান্ত গ্ৰহণ কৰিছে। মৌলিক কৰ্তব্যসমূহ পালন কৰিহে উন্নত ভাৰতৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কালি লোকসভাত সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাক সম্প্ৰৰ্কীয় বিশেষ বিতৰ্কৰ উত্তৰ দি এইদৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে তেওঁৰ চৰকাৰ উমহৈতীয়া দেৱানী বিধি ৰূপায়ণ কৰিবলৈ বদ্ধপৰিকৰ কিয়নো, এই বিধিৰ মাজেৰে দেশৰ সংবিধান প্ৰণেতাসকলৰ দৃষ্টিভংগী প্ৰতিফলিত হয়। তেওঁ কয়, যে সংবিধান সভাত এই বিষয় ব্যাপক আলোচনা হৈছিল আৰু নিৰ্বাচিত চৰকাৰক এই বিধি ৰূপায়ণ কৰিবলৈ কৈছিল। শ্ৰী মোদীয়ে কয়, যে এন ডি এ চৰকাৰে ধৰ্মনিৰপেক্ষ উমৈহতীয়া দেৱানী বিধি প্ৰণয়ন কৰাৰ বাবে কাম কৰি আছে।

এন ডি এ চৰকাৰে বিভিন্ন আঁচনি আৰু উদ্যমৰ মাজেৰে দেশৰ একতা অনাৰ বাবে লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰা হৈছে আৰু সমগ্ৰ দেশত জি এছ টিৰ ৰূপত একক কৰ ব্যৱস্থা ৰূপায়ণ কৰা হৈছে। তেওঁ কয় যে, এখন ৰাষ্ট্ৰ, এখন ৰেচন কাৰ্ড, আয়ুষ্মান কাৰ্ড, এখন ৰাষ্ট্ৰ, এটা গ্ৰীড আৰু সৰ্বাত্মক আন্তঃগাঁথনি উন্নয়ন প্ৰক্ৰিয়াই দেশৰ জনসাধাৰণক যথেষ্ট সহায় কৰিছে। দেশৰ দ্ৰুত অৰ্থনৈতিক সম্প্ৰসাৰণ সন্দৰ্ভত শ্ৰী মোদীয়ে কয়, যে ভাৰত নিজকে উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ বদ্ধ পৰিকৰ আৰু দেশখন অনাগত সময়ত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হ'ব।

বিগত ৭৫ বছৰত সংবিধানৰ গৌৰৱময় যাত্ৰাৰ ভূয়সী প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই যাত্ৰা দেশৰ বাবে সঁচাকৈ গৌৰৱৰ বিষয়। ভাৰতীয় গণতন্ত্ৰ সমগ্ৰ বিশ্বৰ বাবে অনুপ্ৰেৰণা বুলি অভিহিত কৰি শ্ৰী মোদীয়ে সংবিধান প্ৰণেতাসকলৰ অৱদানৰ কথা স্মৰণ কৰে। তেওঁ লগতে সংবিধান প্ৰণয়নৰ ক্ষেত্ৰত মহিলাসকলৰ অৱদানৰ বিষয়েও উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে চৰকাৰে মহিলাৰ নেতৃত্বত বিকাশ দৃষ্টিভংগীৰে কাম কৰি আছে আৰু যোৱা বছৰ সংসদে নাৰী শক্তি বন্দনা অধিনিয়ম গৃহীত কৰিছে। কংগ্ৰেছক কটাক্ষ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দলটোৱে সংবিধানক আঘাত হনাৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি কৰা নাই আৰু এটা পৰিয়ালে দেশক ৫৫ বছৰ ধৰি শাসন কৰিলে। তেওঁ কয়, যে সংবিধান প্ৰণয়নৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ সময়তে কংগ্ৰেছে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল আৰু সাংবিধানিক অধিকাৰৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। কংগ্ৰেছৰ শাসনকালৰ ছটা দশকত ৭৫ বাৰকৈ সংবিধানত সাল-সলনি কৰা হৈছিল বুলিও তেওঁ মন্তব্য কৰে। শ্ৰী মোদীয়ে কয়, যে প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৭১ চনত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি অৱহেলা কৰি ন্যায় পালিকাৰ ক্ষমতা কম কৰাৰ উদ্দেশ্যে সংবিধানত সাল-সলনি কৰিছিল। তেওঁ লগতে ধৰ্মৰ নামত সংৰক্ষণ ব্যৱস্থা ৰূপায়ণ কৰাৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, যে সংবিধান প্ৰণেতাসকলে মাৰাথন আলাপ-আলোচনাৰ অন্তত ধৰ্মভিত্তিক সংৰক্ষণৰ অৱধাৰণাৰ বিৰোধিতা কৰিছিল। ন্যায় পালিকাই ধৰ্মভিত্তিক সংৰক্ষণৰ বিৰুদ্ধে কেইবাবাৰো ৰায় দিয়া স্বত্বেও কংগ্ৰেছে ভোট বেংকৰ ৰাজনীতিৰ বাবেই এই ব্যৱস্থা ৰূপায়ণ কৰাৰ বাবে অটল হৈ আছে বুলি শ্ৰী মোদীয়ে অভিযোগ তোলে। ধৰ্ম আধাৰিত সংৰক্ষণ সংবিধানৰ ভাৱনাৰ পৰিপন্থী বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে দেশৰ ভৱিষ্যৎ গঢ়াৰ উদ্দেশ্যে সংসদত ১১টা প্ৰস্তাৱ দিয়ে। ইয়াৰে ভিতৰত সকলোৰে উন্নয়ন আৰু দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতা অন্যতম।

ooooo

বিজেপিৰ সভাপতি জে পি নাড্ডাই ভাৰতীয় সংবিধান প্ৰণয়নৰ ৭৫ বছৰ সন্দৰ্ভত হোৱা বিতৰ্কৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণৰ শলাগ লৈছে। শ্ৰী নাড্ডাই কয়, যে প্ৰধানমন্ত্ৰীৰ এই ভাষণে দেশৰ সংবিধান আৰু অন্যান্য বিষয় লৈ কংগ্ৰেছ আৰু বিৰোধীয়ে বিয়পোৱা বিভ্ৰান্তিসমূহ আঁতৰ কৰিব।

সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী নাড্ডাই কয়, যে সংবিধান দিৱস উদযাপনৰ আৰম্ভণি আৰু সংবিধান প্ৰণেতা বাবাচাহেব আম্বেদকাৰৰ আদৰ্শৰ অনুসৰণে, বিজেপি যে সঁচা অৰ্থত সংবিধানৰ ৰক্ষক, সেই কথাকেই প্ৰমাণ কৰে। বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত আমি প্ৰতিটো খণ্ডৰ উন্নয়ন আৰু দেশৰ সামগ্ৰিক বিকাশৰ বাবে বদ্ধপৰিকৰ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মুখ্য সচিবসকলৰ চতুৰ্থ ৰাষ্ট্ৰীয় সন্মিলন সম্বোধন কৰিব। শ্ৰী মোদীয়ে কালি এই সন্মিলনত অধ্যক্ষতা কৰে। শুকুৰবাৰে আৰম্ভ হোৱা এই তিনি দিনীয়া সন্মিলনত ৰাজ্যসমূহৰ সহযোগিতাত বিকাশৰ উমৈহতীয়া কাৰ্যসূচীৰ মূল্যায়ণ আৰু ৰূপায়ণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদ সুদৃঢ় কৰা তথা দ্ৰুত বিকাশ আৰু উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে উন্নত সমন্বয় সুনিশ্চিত কৰাই এই সন্মিলনৰ মূল উদ্দেশ্যে। সন্মিলনৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিছে।

ooooo

লোকসভাত কাইলৈ **এখন দেশ, এটা নিৰ্বাচন** সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ১২৯ সংখ্যক সংবিধান সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত দেশত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ বাবে সংবিধান সংশোধনী বিধেয়কৰ প্ৰস্তাৱত অনুমোদন দিয়ে।

প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠন হোৱা উচ্চ পৰ্যায়ৰ এখন সমিতিয়ে ৰাজনৈতিক দলৰ নেতা আৰু বিশেষজ্ঞসকলকে ধৰি অন্যান্য অংশীদাৰীসকলৰ সৈতে এই সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। **এখন দেশ এটা নিৰ্বাচন** ব্যৱস্থা দুটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হ'ব আৰু পঞ্চায়ত তথা পৌৰসভাৰ দৰে স্থানীয় নিকায়সমূহৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত অনুষ্ঠিত হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এখন দেশ এটা নিৰ্বাচন ব্যৱস্থা সম্পৰ্কেও বিধেয়ক দুখনে যুক্তৰাষ্ট্ৰবাদৰ আদৰ্শক অৱহেলা কৰে বুলি উথা অভিযোগ খণ্ডন কৰিছে। নতুন দিল্লীত কালি এটা টিভি চেনেলে আয়োজন কৰা অনুষ্ঠানত ভাগ লৈ শ্ৰী শ্বাহে কয়, যে লোকসভা আৰু বিধানসভা নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাটো কোনো নতুন কথা নহয়। তেওঁ কয়, যে ১৯৫২ চনত সকলো নিৰ্বাচন একেলগে অনুষ্ঠিত হৈছিল।

০০০০০

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আজি তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিব। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত শ্ৰীদিশানায়কেৰ এয়া প্ৰথম ভ্ৰমণ হ'ব। এই তিনিদিনীয়া ভ্ৰমণকালত শ্ৰীদিশানায়কে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক, আঞ্চলিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ বহুপাক্ষিক আৰু পাৰস্পৰিক সহযোগিতা অধিক সুদৃঢ় কৰিব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি যক্ষ্মা ৰোগৰ সজাগতাৰ উদ্দেশ্যে বচা বচা সাংসদৰ মাজত হ'বলগীয়া এখন প্ৰীতি ক্ৰিকেট খেলত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা হামিৰপুৰ লোকসভা সমষ্টিৰ সাংসদ অনুৰাগ সিং ঠাকুৰৰ নেতৃত্বৰ সাংসদৰ এটা দলে শ্ৰী বিৰলাক এই প্ৰীতি ক্ৰিকেট খেলখন উপভোগ কৰিবলৈ আমন্ত্ৰণ জনায়। নতুন দিল্লীৰ ইণ্ডিয়া গে'টৰ সমীপৰ মেজৰ ধ্যানচান্দ ৰাষ্ট্ৰীয় ষ্টেডিয়ামত আজি পুৱা ৯ বজাৰ পৰা, ২০ অভাৰৰ এই ক্ৰিকেট খেলখন আৰম্ভ হ'ব। ডি ডি স্পোৰ্টছ আৰু সংসদ টিভিয়ে এই খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰিব। অনুৰাগ সিং ঠাকুৰ লোকসভা অধ্যক্ষ একাদশৰ অধিনায়ক হ'ব আৰু কিৰেন ৰিজিজুৱে ৰাজ্যসভা সভাপতি একাদশৰ নেতৃত্ব বহন কৰিব।

০০০০০

ভাৰত আজি ওমানৰ মাস্কটত অনুষ্ঠিত মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ সন্মুখীন হ'ব। ভাৰতে কালি জাপানক ৩-১ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে চীনে দক্ষিণ কোৰিয়াক ৪-১ গলৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে।

ooooo

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে ব্ৰিছবেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি দ্বিতীয় দিনা এটাও উইকেট নেহেৰুৱাকৈ কালি সংগ্ৰহ কৰা ২৮ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৩টা উইকেটৰ বিনিময়ত ৭৫ ৰান সংগ্ৰহ কৰি খেলি আছিল। বৰষুণৰ বাবে কালি ১৩ অভাৰ আৰু ২ টা বল খেলা অৱস্থাতে প্ৰথম দিনৰ খেল স্থগিত ৰাখিবলগীয়া হৈছিল।

ভাৰতে কালি টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। এইখন খেলৰ বাবে ৰবীচন্দ্ৰন অশ্বীন আৰু হৰ্ষিত ৰানাৰ ঠাইত ৰবীন্দ্ৰ জাদেজা আৰু আকাশ দ্বীপক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

**সমাপ্ত**